**১৯৯৯ এছ.চি.চি. অনলাইন গৌ. ৯৩ : (২০০০) ১ গৌ. এল.আৰ. ৬০৮ : (১৯৯৯) ৬ এছ.এল.আৰ. ৫৬৩: ১৯৯৯ লেব আই.চি. ৩২৯৬**

## গৌহাটী উচ্চ ন্যায়ালয়

(ন্যায়াধীশ জে.এন. শৰ্মাৰ বিচাৰপীঠ)

গৌৰী সেনগুপ্তা ... আবেদনকাৰী;

বনাম

অসম ৰাজ্য আৰু অনান্য। ... প্ৰতিবাদী।

দেৱানী নিয়ম নং – ৪৮০৭/১৯৯৬

ৰায়দানৰ তাৰিখ - ১ জুলাই, ১৯৯৯

**ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ২১ আৰু ৪৭ - চৰকাৰী কৰ্মচাৰীৰ চিকিৎসা ব্যয়ৰ ক্ষতিপূৰণ - ব্যক্তিগত নাৰ্চিং হোমসমূহ চিকিৎসা ব্যয়ৰ ক্ষতিপূৰণ পৰিশোধৰ উদ্দেশ্যে ৰাজ্যই স্বীকৃতি নিদিয়াৰ ভিত্তিত বিল অনুমোদিত নহয় – কৰ্তৃপক্ষই এমাহৰ ভিতৰত চিকিৎসা ব্যয়ৰ ক্ষতিপূৰণ পৰিশোধ কৰিবলৈ নিৰ্দেশ দিছিল।**

এই গোচৰত উপস্থিত থকা অধিবক্তাসকল:
আবেদনকাৰীৰ বাবে শ্ৰীযুত অমিতাভ ৰয় আৰু শ্ৰীযুত অভিজিত ৰয়।
প্ৰতিবাদীসকলৰ বাবে শ্ৰীযুত কে.এইচ. চৌধুৰী আৰু শ্ৰীযুত বি. গোস্বামী।

উল্লিখিত গোচৰসমূহ: কালানুক্ৰমিক
*পঞ্জাৱ চৰকাৰ বনাম ৰাম লুভায়া বাগ্গা,* (১৯৯৮) ৪ এছচিচি ১১৭।
*পঞ্জাৱ চৰকাৰ বনাম মহিন্দৰ সিং চাওলা,* (১৯৯৭) ২ এছচিচি ৮৩।
*সুৰজিৎ সিং বনাম পঞ্জাৱ চৰকাৰ,* (১৯৯৬) ২ এছচিচি ৩৩৬।

## বিচাৰ আৰু আদেশ

১। এই লেখ আবেদনখন এগৰাকী মহিলাই দাখিল কৰিছে, যিগৰাকী মহিলা নগাওঁ অসামৰিক চিকিৎসালয়ৰ এগৰাকী মেট্ৰন। তেওঁ নিজে অসুস্থ হৈ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰসূতি আৰু স্ত্ৰীৰোগ বিভাগৰ অধ্যাপক ডাঃ এইচ. এন. শৰ্মাৰ

লগতে একেটা বিভাগৰ সহকাৰী অধ্যাপক ডাঃ বিনীত কুমাৰ বৰুৱাৰ পৰাও চিকিৎসাৰ পৰামৰ্শ লয়। তেওঁৰ প্ৰাথমিক শাৰীৰিক পৰীক্ষাত উপস্থিত থকা চিকিৎসকসকলে তেওঁ জৰায়ুৰ কাৰ্চিনোমা ৰোগত আক্ৰান্ত বুলি ধাৰণা কৰি বায়োপ্সী কৰাৰ পৰামৰ্শ দিছিল আৰু এই পৰীক্ষাত তেওঁ জৰায়ুৰ কাৰ্চিনোমা ৰোগত আক্ৰান্ত বুলি ধৰা পৰিছিল। চিকিৎসকে লগে লগে তেওঁক পৰৱৰ্তী চিকিৎসাৰ বাবে অসম ৰাজ্যৰ বাহিৰৰ এক উন্নত মানৰ গাইনোকোলজিকেল কেন্দ্ৰত উপস্থিত হ'বলৈ পৰামৰ্শ দিছিল। লগতে এইটোও পৰামৰ্শ দিয়া হৈছিল যে ৰোগীৰ সৈতে এজন এস্কৰ্ট থাকিব লাগিব। জৰায়ু আঁতৰাই পেলাবৰ বাবে তেওঁক পেটৰ গুৰুতৰ অস্ত্ৰোপচাৰ কৰিবলৈ পৰামৰ্শ দিয়া হৈছিল। শাৰীৰিক পৰীক্ষাৰ প্ৰতিবেদনবোৰৰ প্ৰতিলিপি এই লেখ আবেদনৰ সৈতে পৰিশিষ্ট–১,২ আৰু ৩ হিচাপে সংলগ্ন কৰা হৈছে। আৱেদনকাৰী কলিকতালৈ গৈছিল আৰু কলিকতাৰ লেন্স ডাউন নাৰ্চিং এণ্ড ৰিচাৰ্চ চেন্টাৰত নিজৰ চিকিৎসা কৰাইছিল আৰু তাৰ পিছত তেওঁ ঠাকুৰ পুকুৰ কৰ্কট কেন্দ্ৰ আৰু ৱেলফেয়াৰ হোম ফৰ ৰেডিঅ'থেৰাপী আৰু ৱেকি থেৰাপীত উপস্থিত হৈছিল আৰু উক্ত প্ৰতিষ্ঠানটোৰ চিকিৎসকসকলৰ পৰামৰ্শ অনুসৰি ৰেডিঅ'থেৰাপীৰ বিভিন্ন চিকিৎসা গ্ৰহণ কৰিছিল। চিকিৎসা সম্পূৰ্ণ হোৱাৰ পিছত আবেদনকাৰী ডিব্ৰুগড়লৈ উভতি আহিছিল। উল্লেখযোগ্য যে আবেদনকাৰীৰ স্বামী আবেদনকাৰীৰ সৈতে এস্কৰ্ট হিচাপে গৈছিল। তেওঁৰ চিকিৎসা সম্পৰ্কীয় নথি–পত্ৰসমূহ পৰিশিষ্ট–৪ হিচাপে সংলগ্ন কৰা হৈছে। আবেদনকাৰী ডিব্ৰুগড়লৈ উভতি অহাৰ পিছত ৩০–০১–৮৯ তাৰিখে গুৱাহাটীৰ হেঙেৰাবাৰীস্থিত স্বাস্থ্য সেৱা সঞ্চালকালয়ত চিকিৎসা ব্যয়ৰ ক্ষতিপূৰণৰ বিল দাখিল কৰে। বিলৰ লগতে তেওঁৰ দাবী সম্পৰ্কীয় প্ৰাসঙ্গিক ভাউচাৰবোৰ আৰু প্ৰয়োজনীয় চিকিৎসকৰ প্ৰমাণপত্ৰসমূহো দাখিল কৰিছিল। বিলৰ মুঠ পৰিমাণ ৩৪,৭৭৪.১৯ টকা হৈছিল। দাবীটোৰ সন্দৰ্ভত তেওঁক নিৰ্দিষ্ট বিৱৰণ দিবলৈ কোৱা হৈছিল আৰু যথা সময়ত তেওঁ এই কাৰ্য সম্পাদন কৰিছিল। অসম ৰাজ্যই ব্যক্তিগত নাৰ্চিং হোমসমূহক চিকিৎসা ব্যয় পৰিশোধৰ উদ্দেশ্যে স্বীকৃতি নিদিয়াৰ ওপৰত ভিত্তি কৰি আবেদনকাৰীৰ বিলখন কৰ্তৃপক্ষই অনুমোদন কৰা নাছিল। সেয়েহে, এই লেখ আবেদন দাখিল কৰা হয়।

২. যদিও এই লেখ আবেদনখন ১৯৯৬ চনত দাখিল কৰা হৈছিল, আজিলৈকে কোনো বিৰোধী শপতনামা দাখিল কৰা হোৱা নাই। আজি অসমৰ অতিৰিক্ত জ্যেষ্ঠ চৰকাৰী অধিবক্তা শ্ৰীযুত কে.এইচ. চৌধুৰীয়ে বিভাগৰ পৰা প্ৰাপ্ত কৰা এখন লিখিত নিৰ্দেশনা মোৰ সন্মুখত প্ৰস্তুত কৰিছে। ইয়াৰ একমাত্ৰ ভিত্তিটো হ'ল যে এই বিষয়টোৰ সন্দৰ্ভত অসম বিধানসভাৰ এখন প্ৰতিবেদন আছে। ইয়াক তলত উদ্ধৃত কৰা হৈছে:

"মাননীয় সমিতিৰ পৰামৰ্শৰ পৰিপ্ৰেক্ষিতত গোচৰটো অতি সাৱধানে বিবেচনা কৰাৰ পিছত, চৰকাৰে লক্ষ্য কৰিছে যে ইতিমধ্যে বলবৎ থকা নিয়মৰ যিকোনো ব্যতিক্ৰমৰ ফলত এই ধৰণৰ দাবীৰ ধাৰাবাহিকতা আহিব পাৰে। এনে ধৰণৰ পৰিস্থিতিত এবাৰ এটা দৃষ্টান্ত বলবৎ হ'লে এনে গোচৰবোৰ প্ৰত্যাখ্যান কৰাটো চৰকাৰৰ বাবে কঠিন হ'ব আৰু  এনে ক্ষেত্ৰত আৱেদনকাৰীসকলে চৰকাৰৰ অনুমোদন প্ৰাপ্ত কৰাত বিফল হোৱাৰ পিছত আদালতৰপৰা অনুকূল আদেশ প্ৰাপ্ত কৰাটোও সম্ভৱ হৈ উঠিব পাৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত অনুভৱ কৰা হৈছে যে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ মেট্ৰন শ্ৰীমতী গৌৰী সেন গুপ্তাৰ চিকিৎসা বিল পৰিশোধৰ ক্ষেত্ৰত বলবৎ থকা নিয়মসমূহ কঠোৰভাৱে পালন কৰা হ’ব।”

এইটো সঁচাকৈয়ে এক অভাবনীয় পৰিস্থিতি, য’ত কোৱা হৈছে যে চৰকাৰী অনুমোদন লাভ কৰাত ব্যৰ্থ হ'লে আদালতৰ পৰা অনুকূল আদেশ লাভ কৰিব পাৰে। সেইবাবেই এই নিয়মসমূহৰ কঠোৰভাৱে অনুসৰণ কৰি  আবেদনকাৰী  শ্ৰীমতী গৌৰী সেন গুপ্তাৰ চিকিৎসা ব্যয় ক্ষতিপূৰণৰ দাবীসমূহ নাকচ কৰিলে ।  এই বিষয়টোৰ বৰ্তমান কোনো প্ৰাসংগিকতা নাই যিহেতু উচ্চতম ন্যায়ালয়ে পূৰ্বৱৰ্তী ৩টা ৰায়দানত বিষয়টো নিষ্পত্তি কৰিছে। ইয়াৰে প্ৰথম ৰায়টো  হ'ল (১৯৯৬) ২ এছ ছি ছি ৩৩৬ (*সুজিত সিং বনাম পঞ্জাৱ চৰকাৰ*)। এই গোচৰত পঞ্জাৱ চৰকাৰৰ এজন কৰ্মচাৰী হৃদযন্ত্ৰৰ সমস্যাত ভুগিছিল। তেওঁ পঞ্জাৱ চৰকাৰৰ অনুমোদন অবিহনে নিজাববীয়াকৈ লণ্ডনলৈ গৈছিল। লণ্ডনৰ পৰা ঘূৰি অহাৰ পিছত তেওঁ ক্ষতিপূৰণৰ বাবে এখন চিকিৎসা ব্যয়ৰ বিল দাখিল কৰে। পঞ্জাৱ চৰকাৰে বিল পৰিশোধ কৰিবলৈ অস্বীকাৰ কৰি কয় যে ইয়াত চৰকাৰী অনুমোদনৰ অভাৱ আৰু নিয়মৰ নিৰ্দেশ অনুসৰি গোচৰটো মেডিকেল ব’ৰ্ডে প্ৰেৰণ কৰা নাছিল। বিষয়টোৰ সেই দিশটোৰ সৈতে মোকাবিলা কৰি উচ্চতম ন্যায়ালয়ে ১২ নং দফাত তলত দিয়া ধৰণে আইন নিৰ্দ্ধাৰণ কৰিছে:—

“সেইবাবে আপীলকাৰীৰ আত্মৰক্ষাৰ বাবে পদক্ষেপ লোৱাৰ অধিকাৰ আছে। তেওঁ মেডিকেল ব'ৰ্ডৰ কাৰণে শাৰী পাতি থিয় হৈ থকাৰ প্ৰয়োজন নাই, কাৰণ এই ব'ৰ্ডখন গঠন হ’বলৈয়ে বহু সময় লাগে। আপীলকাৰীয়েও এইমছৰ চৰকাৰী চিকিৎসালয়ত শাৰী পাতি থিয় হৈ থাকিব নালাগে আৰু নীতি অনুসৰি অন্য ঠাইলৈ বিকল্প চিকিৎসালয়লৈ যাব পাৰে । যেতিয়া চৰকাৰে নিজেই এস্কৰ্টসমূহৰ স্বীকৃতিপ্ৰাপ্ত তালিকা আনিছে, তেনে ক্ষত্ৰত ইয়াৰ বাবে এই যুক্তি দিয়াটো অসাৰ যে আপীলকাৰীয়ে কোনো কাৰণতে এস্কৰ্টলৈ যাব নোৱাৰিলেহেঁতেন আৰু সেই অনুমানৰ ভিত্তিত তেওঁৰ দাবীক অনুমতি দিব নোৱাৰি।  আমি ইয়াৰ বিপৰীতে ভাবো। এনে  তথ্য আৰু

পৰিস্থিতিত, আপীলকাৰীজনে তেওঁৰ জীৱন ৰক্ষা কৰিবলৈ আন বহুতৰ দৰে ভাৰততে থাকি এস্কৰ্ট চিকিৎসালয়লৈ যাব পাৰিলেহেঁতেন। কিন্তু তাৰ পৰিৱৰ্তে তেওঁ লণ্ডনত যথেষ্ট খৰচ বহন কৰি তেনেকুৱা কৰিছে। তেওঁৰ অস্ত্ৰোপচাৰ কৰা চিকিৎসকসকলে এনে কৰাটো অপৰিহাৰ্য আৰু সময়োপযোগী হিচাপে বিবেচনা কৰিছে। সেই ধাৰণাটোৰ ভিত্তিত প্ৰতিবাদীসকলে এস্কৰ্টছৰ মতে অনুমোদিত হাৰ আপীলকাৰীক দিয়া উচিত। প্ৰতিবাদীসকলে এস্কৰ্টত উল্লেখ কৰা হাৰৰ ভিত্তিত আপীলকাৰীক ধন দিব লাগিব, কিয়নো আপীলকাৰীৰ দাবী বৈধ বুলি গণ্য কৰা হৈছে। গণনাৰ সময়ত আপীলকাৰীক প্ৰাৰম্ভিকভাৱে দিয়া ৪০ হাজাৰ টকা মিলাই দিয়া হ'ব। যিহেতু আপীলকাৰীৰ দাবী বৰ্তমান এই আদালতত প্ৰক্ষেপ কৰা ধৰণেৰে উচ্চ ন্যায়ালয়ত মোকাবিলা কৰা হোৱা নাছিল, গতিকে আমি তেওঁ প্ৰাৰ্থনা কৰা স্বত্তেও মধ্যৱৰ্তী সময়ছোৱাৰ বাবে কোনো সুত প্ৰদান নকৰো। আপীল মঞ্জুৰ কৰা হয়, আৰু কোনো খৰচৰ নিৰ্দেশ দিয়া নহয়।যিহেতু আপীলকাৰীয়ে তেওঁৰ দাবীক উচ্চ ন্যায়ালয়ত প্ৰক্ষেপ কৰা নাছিল, সেইবাবে তেওঁৰ দাবীক এতিয়া এই আদালতত মোকাবিলা কৰা হ'ব, এই আদালতত আমি তেওঁক মাজৰ সময়ছোৱাৰ বাবে কোনো সুত প্ৰদান নকৰো, যদিও তেওঁ ইয়াৰ বাবে প্ৰাৰ্থনা কৰিছিল। দুমাহৰ ভিতৰত ইতিবাচকভাৱে পাৰ্থক্যটো আপীলকাৰীক পৰিশোধ কৰা হওক। সেই অনুসৰি পুনৰীক্ষণ আবেদনত অনোমোদন জনোৱা হৈছে। খৰচ বহনৰ ক্ষেত্ৰত কোনো আদেশৰ প্ৰয়োজন নাই।”

উচ্চতম ন্যায়ালয়ে আঙুলিয়াই দিছে যে সদায় মেডিকেল ব'ৰ্ডৰ অনুমোদনৰ বাবে অপেক্ষা কৰাৰ প্ৰয়োজন নাই। সেইবাবে মেডিকেল ব'ৰ্ডৰ শাৰীত থিয় হোৱাৰ কোনো প্ৰয়োজন নাই, কাৰণ এইটো এটা সুপৰিচিত পৰিস্থিতি যে সুবিধা অনুসৰিহে মেডিকেল ব'ৰ্ডৰ সৈতে সাক্ষাৎ সম্ভৱ আৰু ইয়াৰ মাজতে ৰোগীৰ মৃত্যুও হ'ব পাৰে। উচ্চতম ন্যায়ালয়ে আকৌ আঙুলিয়াই দিছিল যে কোনো বিশেষ অনুমোদিত প্ৰতিষ্ঠানলৈ যোৱাৰ প্ৰয়োজন নাই । তেওঁ নিজৰ পছন্দৰ যিকোনো প্ৰতিষ্ঠানলৈ যাব পাৰে, কিন্তু তেওঁক অনুমোদিত প্ৰতিষ্ঠানৰ হাৰ অনুসৰি চিকিৎসা ব্যয়ৰ ক্ষতিপূৰণ দিয়া হ'ব, (ii) ইয়াৰ পৰৱৰ্তী গোচৰটো হ'ল (১৯৯৭) ২ এচ.চি.চি. ৮৩ *(পঞ্জাব চৰকাৰ বনাম মহিন্দৰ সিং চাওলা)*। এইটো এনে এটা গোচৰ আছিল য'ত পঞ্জাব চৰকাৰে, পঞ্জাব ৰাজ্যত বিশেষ চিকিৎসা উপলব্ধ নোহোৱাৰ বাবে কোনো বিশেষ চিকিৎসালয়লৈ ৰোগীজনৰ ৰেফাৰ কৰা গোচৰটোত অনুমোদন জনাইছিল আৰু ৰাজ্যৰ বাহিৰলৈ যোৱাৰ অনুমতি দিয়া হৈছিল। সেইটো কৰা হৈছিল, কিন্তু একমাত্ৰ বিতৰ্কটো আছিল এই সন্দৰ্ভত যে ৰোগীজনক বিশেষ চিকিৎসালয়খনৰ কোঠাৰ ভাড়া দিয়া হ'ব নে নহয়। এই ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ে অনুমতি প্ৰদান কৰিলে । উচ্চতম ন্যায়ালয়ে

ক'লে যে সেই বিশেষ চিকিৎসালয়খনৰ কোঠাৰ ভাড়া চিকিৎসা খৰচৰ এটা অংশ আৰু সেইটো ৰাজ্য চৰকাৰে পৰিশোধ কৰিব লাগিব । (iii) এই বিষয়ত পৰৱৰ্তী গোচৰটো হ'ল (১৯৯৮) ৪ এচ চি চি ১১৭ *(পঞ্জাৱ চৰকাৰ বনাম ৰাম লুভায়া বাগ্গা)*। পঞ্জাৱৰ চিকিৎসা বিল পৰিশোধ নীতিৰ বিৰুদ্ধে প্ৰত্যাহ্বান উত্থাপন কৰা হৈছিল। উচ্চতম ন্যায়ালয়ে কয় যে কোনো নীতিক প্ৰত্যাহ্বান জনোৱাৰ অনুমতি নাই কাৰণ ই কৰ্তৃপক্ষৰ বুদ্ধিমত্তাক প্ৰতিনিধিত্ব কৰে। কিন্তু একে সময়তে উচ্চতম ন্যায়ালয়ে পূৰ্বৰ আইনখনৰ কথা উল্লেখ কৰিছিল আৰু উচ্চতম ন্যায়ালয়ে তলত দিয়া ধৰণে আঙুলিয়াই দিছিল: :- অধিকাৰৰ অৰ্থ হ'ল আন এজন ব্যক্তিৰ, নিয়োগকৰ্তা, চৰকাৰ বা কৰ্তৃপক্ষৰ, বাবে সংশ্লিষ্ট কৰ্তব্য। অৰ্থাৎ, এজনৰ অধিকাৰ আন এজনৰ বাধ্যবাধকতা। সেয়েহে ২১ নং অনুচ্ছেদৰ অধীনত নাগৰিকৰ জীয়াই থকাৰ অধিকাৰে ৰাষ্ট্ৰৰ ওপৰত বাধ্যবাধকতা জাপি দিয়ে। এই বাধ্যবাধকতাক ৪৭ নং অনুচ্ছেদৰ অধীনত আৰু অধিক শক্তিশালী কৰা হৈছে- ৰাষ্ট্ৰই নিজৰ নাগৰিকৰ স্বাস্থ্য সুৰক্ষিত কৰাটো নিজৰ প্ৰাথমিক কৰ্তব্য হিচাপে। উচ্চতম ন্যায়ালয়ে এই গোচৰত এইটোও আঙুলিয়াই দিছে:

নিশ্চিতভাৱে চিকিৎসালয় আৰু স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰি চৰকাৰে নিজৰ কৰ্তব্য পালন কৰি আছে। কিন্তু এই প্ৰচেষ্টা ফলপ্ৰসূ হ'বলৈ হ'লে এই সুবিধাসমূহ জনসাধাৰণৰ বাবে সহজে উপলব্ধ হ'ব লাগিব, অপেক্ষাৰ তালিকা কম কৰিব লাগিব, আৰু এজন কৰ্মচাৰীয়ে আন এখন চিকিৎসালয়ত বিচৰা সকলো প্ৰয়োজনীয় সুবিধা প্ৰদান কৰিব লাগিব। উচ্চতম ন্যায়ালয়ে এই গোচৰত ইয়াকো আঙুলিয়াই দিছে যে:

> "আমি যেতিয়া কোনো অধিকাৰৰ কথা কওঁ, তেতিয়া ই আন এজন, ব্যক্তি, নিয়োগকৰ্তা, চৰকাৰ বা কৰ্তৃপক্ষৰ ওপৰত থকা কৰ্তব্যৰ সৈতে সম্পৰ্কিত হয়। অৰ্থাৎ এজনৰ অধিকাৰ আন এজনৰ বাধ্যবাধকতা। সেয়েহে ২১ নং অনুচ্ছেদৰ অধীনত নাগৰিকৰ জীয়াই থকাৰ অধিকাৰে ৰাষ্ট্ৰৰ ওপৰত বাধ্যবাধকতা জাপি দিয়ে। এই বাধ্যবাধকতাক ৪৭ নং অনুচ্ছেদৰ অধীনত আৰু অধিক শক্তিশালী কৰা হৈছে, ৰাষ্ট্ৰই নিজৰ নাগৰিকৰ স্বাস্থ্য সুৰক্ষিত কৰাটো নিজৰ প্ৰাথমিক কৰ্তব্য হিচাপে। চৰকাৰী চিকিৎসালয় আৰু স্বাস্থ্য কেন্দ্ৰ মুকলি কৰি চৰকাৰে এই দ্বায়িত্ব পালন কৰিছে, কিন্তু ইয়াক অৰ্থপূৰ্ণ কৰি তুলিবলৈ হ'লে ই মানুহৰ বাবে সহজে উপলব্ধ হ'ব লাগিব, যিমান পাৰি, অপেক্ষাৰ তালিকাৰ শাৰী হ্ৰাস কৰিবলৈ, আৰু ই সকলো প্ৰকাৰৰ সুবিধা প্ৰদান কৰিবলৈ চেষ্টা কৰিব লাগিব যিবোৰ সুবিধাৰ বাবে এজন কৰ্মচাৰীয়ে আন এখন চিকিৎসালয়লৈ যাব বিচাৰে। ইয়াৰ তদাৰক, ব্যৱস্থাপনা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা আশানুৰূপ হ'ব লাগিব।

শ্ৰেষ্ঠ প্ৰতিভা সম্পন্নসকলক নিয়োগ কৰা আৰু ফলপ্ৰসূ সেৱা আগবঢ়াবলৈ ইয়াৰ প্ৰশাসনক অধিক কাৰ্যক্ষম কৰি তুলিব লাগিব । লগতে চিকিৎসালয়ৰ কৰ্মচাৰীসকলৰ নিষ্ঠাবান সেৱাৰ বাবে তেওঁলোকৰ কল্যাণৰ ক্ষেত্ৰত সজাগতা আনিব লাগিব, তেওঁলোকক সময়ে সময়ে, চিকিৎসা-নৈতিক আৰু সেৱামুখী প্ৰশিক্ষণ, কেৱল প্ৰৱেশ বিন্দুতে নহয়, গোটেই কাৰ্যকালৰ সময়ছোৱাত দিব লাগিব। যিহেতু ই এজন নাগৰিকৰ অন্যতম গুৰুত্বপূৰ্ণ আৰু মূল্যৱান অধিকাৰ আৰু চৰকাৰৰ বাবেও সমানেই গুৰুত্বপূৰ্ণ দ্বায়িত্ব, এই কল্যাণকামী ৰাষ্ট্ৰত প্ৰতিজন নাগৰিকে পৰ্যাপ্ত ধন আবন্টনকে ধৰি এই বাধ্যবাধকতাক অগ্ৰাধিকাৰ দিবলৈ আৰু পালন কৰিবলৈ চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ ফলত নাগৰিকৰ অধিকাৰ নিশ্চিত কৰাই নহয়, ৰাষ্ট্ৰক সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক লক্ষ্যত উপনীত হোৱাতো সহায় কৰে। প্ৰতিটো লাভৰ বাবে যেনেকৈ বিনিয়োগৰ প্ৰয়োজন হয়, এই পবিত্ৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ আৰ্থিক সম্পদৰ প্ৰয়োজন হয়, যাৰ ফলত ইয়াক শীৰ্ষ অগ্ৰাধিকাৰ দিয়া হয়।।”

৩/ সেইটো পৰিস্থিতিৰ বাবে এই লেখ আবেদনত অনুমোদন জনোৱা হৈছে আৰু কৰ্তৃপক্ষক এই আদেশ লাভ কৰাৰ এমাহৰ ভিতৰত, ৩০.১.১৮৯ তাৰিখৰ পৰা ১৮% সুতৰ হাৰত ৩৪,৭৭৪.০৯ লাখ টকাৰ ধন পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। আবেদনকাৰীয়েও ২৫০০ টকাৰ শাস্তিমূলক খৰচ দিব লাগিব। আবেদনকাৰীৰ হৈ বিদ্বান জেষ্ঠ্য অধিবক্তা শ্ৰী এ. ৰয় আৰু প্ৰতিবাদীৰ হৈ বিদ্বান অতিৰিক্ত জেষ্ঠ্য চৰকাৰী অধিবক্তা শ্ৰী কে. এইচ. চৌধুৰী আৰু তেওঁৰ সহযোগী চৰকাৰী অধিবক্তা শ্ৰী বি. গোস্বামীৰ অসম শুনানি গ্ৰহণ কৰা হৈছে।

অনুবাদক: উৰ্মি হাজৰিকা, কনিষ্ঠ অনুবাদক
পৰীক্ষক: মায়াশ্ৰী মহন্ত, জেষ্ঠ্য অনুবাদক
অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্রত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”